**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-05-2024
**Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত কাইলৈ ৫৮ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

২। লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ পাছত ৰাজনৈতিক দলসমূহে সপ্তম তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে।

৩। ভাৰতীয় বতৰ বিজ্ঞানে প্ৰকাশ কৰা মতে বংগোপ সাগৰত সৃষ্টি হোৱা ৰেমাল নামৰ ঘূৰ্ণি বতাহজাকে দেওবাৰে পশ্চিমবংগ আৰু চুবুৰীয়া বাংলাদেশৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে।

৪। দেশৰ বিভিন্ন অংশত ২০২৪-২৫ ৰবি বিপণন বৰ্ষৰ বাবে ঘেঁহু ক্ৰয়ৰ প্ৰক্ৰিয়া সুচাৰুৰূপে চলি আছে।

আৰু

৫। ৰাজস্থান ৰয়েলছ কিছু সময়ৰ পাছত চেন্নাইত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত কাইলৈ ৫৮ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০টা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা, পশ্চিমবংগৰ ৮টা আৰু জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। ভোটগ্ৰহণ পুৱা ৭ বজাত আৰম্ভ হ'ব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপি নেতা ধৰ্মেন্দ্ৰ প্ৰধান, মানেকা গান্ধী মনোহৰ লাল খট্টৰ, সম্বিত পাত্ৰা, বান্সুৰি স্বৰাজ, মনোজ তিৱাৰী, কংগ্ৰেছৰ দীপেন্দ্ৰ সিং হুড্ডা, কুমাৰী শ্বৈলজা, ৰাজ বাববৰ, কন্‌হইয়া কুমাৰ, সমাজবাদী প্ৰাৰ্থীৰ ধৰ্মেন্দ্ৰ যাদৱ আৰু পি ডি পিৰ মুৰববী মেহবুবা মুফ্‌টি অন্যতম।

আয়োগে ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বয়োজ্যেষ্ঠ আৰু দিব্যাংগসহ প্ৰতিগৰাকী ভোটাৰে যাতে সহজে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰে, তাৰবাবে ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱাপানী, ছাঁ, শৌচালয়, বিদ্যুৎ, ৰেম্প, হুইল চেয়াৰ আদিৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু সংশ্লিষ্ট বিষয়াসকলক গৰমৰ সন্মুখীন হোৱাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা কৰিবলৈ কোৱা হৈছে। নিৰ্বাচন হ'বলগীয়া এলেকাসমূহত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ লগতে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে সুৰক্ষা ব্যৱস্থাও কটকটীয়া কৰি তোলা হৈছে।

আয়োগে লগতে ৰেমল নামৰ ঘূৰ্ণি বতাহজাকৰ আশংকালৈ চাই ভোটগ্ৰহণ কেন্দ্ৰসমূহত প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনসমূহক সকিয়াই দিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ পাছত ৰাজনৈতিক দলসমূহে সপ্তম তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত ৫৭ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পাঞ্জাৱৰ গুৰদাসপুৰ জিলাৰ দিনা নগৰত এখন নিৰ্বাচনী সভাত ভাষণ দি কংগ্ৰেছ দলে পাকিস্তানৰ ভাষা কোৱা বুলি অভিযোগ উত্থাপন কৰে। জম্মু-কাশ্মীৰত সংবিধানৰ

৩৭০ নম্বৰ অনুচ্ছেদ পুনৰ বলৱৎ কৰা আৰু অঞ্চলটোত সন্ত্ৰাসবাদক উদ্গনি যোগোৱাই কংগ্ৰেছৰ কাৰ্যসূচী আখ্যা দি শ্ৰী মোদীয়ে আই এন ডি আই মিত্ৰজোঁটক দেশৰ সুৰক্ষাৰ বাবে ভাবুকি বুলি অভিহিত কৰে। তেওঁ কয় যে বৰ্তমান কংগ্ৰেছ আৰু আম আদমী পাৰ্টীয়ে জনসাধাৰণৰ চকুত ধূলি দিয়াৰ চেষ্টা কৰিছে আৰু দল দুটাই এফালে পাঞ্জাৱত পৰস্পৰক গালি দিয়াৰ বিপৰীতে মিত্ৰতাৰ বান্ধোনেৰে বান্ধ খাইছে। তেওঁ লগতে কয় যে জনসাধাৰণে দুয়োখন দোকানৰ দুৱাৰ একেই বুলি উপলব্ধি কৰিছে।

ইপিনে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক শচীন পাইলটে আজি পাঞ্জাৱৰ শ্ৰীআনন্দপুৰ চাহিব সমষ্টিত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। নুৰপুৰ বেদীত এখন নিৰ্বাচনী সভাত ভাষণ দি কংগ্ৰেছ নেতাগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰে। তেওঁ কয় যে বিজেপি চৰকাৰে সাংবিধানিক প্ৰতিষ্ঠানসমূহ দুৰ্বল কৰিছে আৰু উদ্যোগপতিসকলক সমৃদ্ধিশালী কৰি সাধাৰণ ৰাইজক দৰিদ্ৰতাৰ কবললৈ ঠেলি দিছে। তেওঁ কয় যে কেন্দ্ৰত কংগ্ৰেছ আৰু মিত্ৰজোঁটৰ চৰকাৰ গঠন হ'লে অগ্ৰাধিকাৰৰ ভিত্তিত খেতিয়কসকলক ন্যূনতম সমৰ্থন মূল্য প্ৰদান কৰা হ'ব।

পাঞ্জাৱ চৰকাৰক সমালোচনা কৰি শ্ৰী পাইলটে কয় যে চৰকাৰখনে জনসাধাৰণক প্ৰদান কৰা প্ৰতিশ্ৰুতি পূৰণ কৰা নাই আৰু জনসাধাৰণে নিৰ্বাচনত তেওঁলোকক এশিকনি দিব।

আনহাতে, বহুজন সমাজ পাৰ্টীৰ ৰাষ্ট্ৰীয় সভানেত্ৰী মায়াৱতীয়ে আজি পাঞ্জাৱৰ নৱানশ্বহৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লয়। কেন্দ্ৰীয় চৰকাৰক কটাক্ষ কৰি শ্ৰীমতী মায়াৱতীয়ে কয় যে সম্প্ৰতি খেতিয়কসকল সমস্যাত ভূগিছে আৰু ব্যথিত হৈ পৰিছে। মোদী চৰকাৰে কেন্দ্ৰীয় সংস্থাসমূহৰ ব্যক্তিগতকৰণ কৰিছে আৰু এয়া গণতন্ত্ৰৰ পৰিপন্থী বুলি বহুজন সমাজ পাৰ্টীৰ মুৰব্বীগৰাকীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি ঝাৰখণ্ডত জামতাৰাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰী শ্বাহে কয় যে তেওঁৰ দলে জে এম এমৰ পিতৃস্বৰূপ শিবু চোৰেণৰ বোৱাৰী সীতা চোৰেণক ন্যায় আৰু প্ৰাপ্য সন্মান প্ৰদান কৰিব। বিজেপি নেতাগৰাকীয়ে জে এম এমৰ নেতা আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে সীতা চোৰেণক ন্যায়ৰ পৰা বঞ্চিত কৰা বুলি অভিযোগ তোলে। বিজেপিয়ে প্ৰয়াত দুৰ্গা চোৰেণৰ পত্নী সীতা চোৰেণক ডুম্‌কা লোকসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

জে এম এম আৰু কংগ্ৰেছ মিত্ৰজোঁটক সমালোচনা কৰি শ্ৰী শ্বাহে দুয়োটা দলে দুৰ্নীতিৰ ক্ষেত্ৰত পৰস্পৰৰ সৈতে প্ৰতিদ্বন্দ্বিতাত ব্ৰতী হোৱা বুলি অভিযোগ তোলে। তেওঁ কয় যে বিজেপিয়ে ৰাজ্যখনৰ জনজাতীয় আৰু চাওঁতাল সম্প্ৰদায়ৰ লোকৰ উন্নয়নৰ হকে কাম কৰি আহিছে। বিজেপিৰ শাসনকালত চাওঁতালী ভাষা সংবিধানৰ অষ্টম অনুসূচিত অন্তৰ্ভুক্ত কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী শ্বাহে কয় যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ অধীনত গিৰিদিহ আৰু বুঢ়া পহাড়ৰ লেখীয়া ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ পৰা নক্সালবাদ উৎখাত হৈছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞানে প্ৰকাশ কৰা মতে বংগোপ সাগৰত সৃষ্টি হোৱা ৰেমল নামৰ ঘূৰ্ণি বতাহজাকে দেওবাৰে পশ্চিমবংগ আৰু চুবুৰীয়া বাংলাদেশৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে বতাহজাকে প্ৰতিঘণ্টাত ১১০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে দেওবাৰে পুৱাৰ ভাগত পশ্চিমবংগ আৰু বাংলাদেশৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। বতাহজাকৰ বেগ প্ৰতিঘণ্টাত ১৩৫ কিলোমিটাৰ পৰ্যন্ত বৃদ্ধি পাব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। বতাহজাকৰ চোক ২৭ মে'ৰ পুৱাৰ ভাগলৈ অব্যাহত থাকিব আৰু তাৰ পাছত লাহে লাহে তীব্ৰতা হ্ৰাস পাব। বতৰ বিজ্ঞান বিভাগে কলকাতা, হাওৰা, নাদিয়া, ঝাৰগ্ৰাম, উত্তৰ ছবিবশ পৰগনা, দক্ষিণ ছবিবশ পৰগনা আৰু পূব মেদিনীপুৰ জিলাত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি আশংকা কৰি কমলা বৰণীয়া সতৰ্কতা জাৰি কৰিছে।

০০০০০০০

দেশৰ বিভিন্ন অংশত ২০২৪-২৫ ৰবি বিপণন বৰ্ষৰ বাবে ঘেঁহু ক্ৰয়ৰ প্ৰক্ৰিয়া সুচাৰুৰূপে চলি আছে। যোৱাবছৰৰ ২৬২ দশমিক ০-২ লাখ মেট্ৰিকটনৰ তুলনাত চলিত বৰ্ষৰ বৰ্তমানলৈকে ২৬২ লাখ মেট্ৰিকটন ঘেঁহু ক্ৰয় কৰা হৈছে।

গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে ঘেঁহুৰ ন্যূনতম সমৰ্থন মূল্যৰ বাবদ খেতিয়কসকলক ৫৯ হাজাৰ ৭১৫ কোটি টকা প্ৰদান কৰা হৈছে আৰু ইয়াৰ পৰা ৰবি বিপণন বৰ্ষত ২২ লাখ ৩১ হাজাৰ খেতিয়ক উপকৃত হৈছে। অধিকাংশ ঘেঁহু পাঞ্জাৱ, হাৰিয়ানা, মধ্য প্ৰদেশ, ৰাজস্থান আৰু উত্তৰ প্ৰদেশৰ পৰা ক্ৰয় কৰা হৈছে। চাউলৰ ক্ৰয় প্ৰক্ৰিয়াও নিয়াৰিকৈ চলি আছে। বৰ্তমানলৈকে ১ লাখ ৬০ হাজাৰ কোটিৰো অধিক টকাৰ ন্যূনতম সমৰ্থন মূল্যত ৯৮ লাখ ২৬ হাজাৰ খেতিয়কৰ পৰা পোনপটীয়াকৈ ৭২৮ লাখ মেট্ৰিকটনৰো অধিক ধান ক্ৰয় কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় সাংস্কৃতিক সচিব গোবিন্দ্ মোহনে বিকশিত ভাৰতৰ যাত্ৰাত কলা আৰু সংস্কৃতিৰ গুৰুত্ব অপৰিসীম বুলি মন্তব্য কৰিছে। নতুন দিল্লীৰ ইণ্ডিয়া হেবিটেট চেণ্টাৰত কালি চাৰিদিনীয়া সমাগম কলা মহোৎসৱ উদ্বোধন কৰি শ্ৰী মোহনে সমাজত কলা-সংস্কৃতিৰ ভূমিকা আৰু ইয়াৰ পৃষ্ঠপোষকতাৰ প্ৰয়োজনীয়তাৰ বিষয়েও লগতে কয়। কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত ষ্টাৰ্টআপসমূহৰ সম্ভাৱনীয়তাৰ সম্পৰ্কেও তেওঁ আলোকপাত কৰে। উল্লেখযোগ্য যে সমাগম কলা মহোৎসৱ, ২০২৪-ত কেইবাখনো কলা প্ৰদৰ্শনী, বোলছবি প্ৰদৰ্শন আৰু কৰ্মশালাৰ আয়োজন কৰা হৈছে। কলা প্ৰদৰ্শনীখনত দেশৰ বিভিন্ন প্ৰান্তৰ ৪৬ গৰাকী প্ৰতিষ্ঠিত আৰু উদীয়মান শিল্পীক সামৰি লোৱা হৈছে। সোমবাৰে এই মহোৎসৱৰ সামৰণি পৰিব।

০০০০০০০

ডী ডী কিষাণ কৃত্ৰিম বুদ্ধিমত্তাৰে চালিত পৰিৱেশকৰ জৰিয়তে অনুষ্ঠান পৰিৱেশন কৰা দেশৰ প্ৰথমটো চৰকাৰী টি ভি চেনেল ৰূপে পৰিগণিত হ'বলৈ ওলাইছে। কৃষি মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি অহা ২৬ মে'ত ডী ডী কিষাণে এটা নতুন ৰূপ আৰু নতুন শৈলীত খেতিয়কসকলৰ মাজত আত্মপ্ৰকাশ কৰিব। এ আই কৃষ আৰু এ আই ভূমি নামৰ এই অনুষ্ঠান পৰিৱেশক দুগৰাকীয়ে ৫০ টা ভাষাত অহৰ্নিশে অক্লান্তভাৱে বাতৰি পৰিৱেশন কৰিব পাৰে বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজস্থান ৰয়েলছ কিছু সময়ৰ পাছত চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

উল্লেখযোগ্য যে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাস্ত কৰি ইতিমধ্যে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০

ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নম আৰু প্ৰিয়াংশে দক্ষিণ কোৰিয়াত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপৰ দ্বিতীয় পৰ্যায়ৰ কম্পাউণ্ড মিক্সড্ টীম শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় দলটোৱে ছেমি ফাইনেলত আয়োজক দেশখনৰ হান চিউজিয়ন আৰু য়াং জিঅ'নৰ যুটিটোক পৰাস্ত কৰে। জ্যোতি আৰু প্ৰিয়াংশ ফাইনেলত উপনীত হোৱাৰ লগে লগে এই প্ৰতিযোগিতাত ভাৰতৰ দুটাকৈ পদক নিশ্চিত হৈছে। ইয়াৰ পূৰ্বে যোৱা বুধবাৰে জ্যোতি, পৰনীত কৌৰ আৰু অদিতি স্বামীৰে গঠিত ভাৰতীয় দলটোৱে কম্পাউণ্ড উইমেন্‌ছ টীম শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, প্ৰথমেশ ফুগেই ব্যক্তিগত শাখাত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ অনুষ্ঠিত হ'বলগীয়া ফাইনেলত জ্যোতি আৰু প্ৰিয়াংশে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অলিভিয়া ডীন আৰু ছয়াৰ ছুলিভানৰ বিপক্ষে অৱতীৰ্ণ হ'ব। ০০০০০০০

**সমাপ্ত**